**৮। কূটনৈতিক ইতিহাস (Diplomatic History) ঃ** কুটনৈতিক ইতিহাস ৰাজনৈতিক ইতিহাসৰ সৈতে সংযুক্ত। ই আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ নীতিৰ সৈতে কাম কৰে। ৰাষ্ট্ৰদূতসকলে আন ৰাষ্ট্ৰৰ সৈতে সম্পৰ্ক ৰক্ষা কৰে আৰু তেওঁলোকেই হ'ল কূটনীতিৰ ৰক্ষক আৰু প্ৰয়োগ কৰোতা। প্ৰাচীন কালত ৰাজ্যবোৰ ৰজাৰ ব্যক্তিগত সম্পত্তি আছিল আৰু কূটনীতি তেওঁলোকৰ ব্যক্তিগত বিষয় আছিল। অন্য ৰাজ্যৰ সৈতে ৰজাসকলৰ সম্পৰ্ক গোপন আছিল আৰু সন্ধিবোৰ গোপনে সম্পন্ন কৰা হৈছিল। সেইবাবে পণ্ডিতসকলে বা সাধাৰণ প্ৰজা শাসকসকলৰ কূটনৈতিক সম্পৰ্কৰ বিষয়ে অজ্ঞ আছিল আৰু তেওঁলোকে কূটনীতিৰ ওপৰত লিখিবলৈ সক্ষম হোৱা নাছিল। যদিও ৰজাসকলে আন ৰাজ্যলৈ ৰাজদূত প্ৰেৰণ কৰিছিল, ৰাজদূতসকলে কঠোৰ নিয়ম মানি চলিব লগা হৈছিল। কৌটিল্যই তেওঁৰ অৰ্থশাস্ত্ৰত দূতসকলৰ কৰ্তব্য আৰু নিয়মানুৱৰ্তিতাৰ বিষয়ে উল্লেখ কৰিছিল। তেনেদৰে মেকিয়াভেলী (Mackiavelli) আৰু হুগো ক্ৰটিয়াছে (Hugo Crotius) কূটনীতিবিদসকলৰ কাৰ্যৰ বিষয়ে উল্লেখ কৰিছে। ১৯ শতিকাত ইতিহাসবিদসকল, যেনে— কিছিংগাৰ (Kisinger), কে এম পানিকৰ (K. M. Pannikar), মৰ্গেনটো হেৰল্ড (Morgenthau Harold), ফৰাচী লেখক ৰিচেলিউ(Richilieu)য়ে কূটনৈতিক ইতিহাসৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। ইউৰোপত শক্তি সমতা, শীতল যুদ্ধ, আন্তৰ্জাতিক শান্তি, নিৰস্ত্ৰীকৰণ আদিৰ ক্ষেত্ৰত কূটনীতিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

◆◆◆◆

CamScanner